


178
NBH

# উদ্যোগপতি টাটা

খালিকুজ্‌জামান

প্ৰকাশক :—
শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা, এম· এ·
দত্তবৰুৱা এণ্ড কোম্পানী, গুৱাহাটী—১

২য় প্ৰকাশ
১৯৬৭

মূল্য ৫০ পইচা

মুদ্ৰক
শ্ৰীগুৰু প্ৰেছ
গুৱাহাটী—১১

# এক

চুৰাট নগৰৰপৰা অলপ দূৰত বৰোদা ৰাজ্যৰ অন্তৰ্গত নাভছাৰি নামৰ এখন নগৰত ১৮৩৯ খৃষ্টাব্দত জামছেদজী টাটাৰ জন্ম হয়। এওঁ জাতত পাৰ্চী। এওঁলোক খৃষ্টপূৰ্ব দুই হাজাৰ বছৰৰ আগতে পাৰচ্যলৈ আহে। সপ্তম শতাব্দীত যেতিয়া মুছলমানবিলাকে পাৰচ্যদেশ জয় কৰি ইছলামধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰে তেতিয়া এওঁলোকে ইছলাম ধৰ্ম গ্ৰহণ নকৰি দেশ এৰি ভাৰতবৰ্ষলৈ উঠি আহে আৰু বোম্বে প্ৰদেশতে নিগাজিকৈ বসতি স্থাপন কৰে। তেতিয়াৰেপৰা তেওঁলোক আমাৰ ভাৰতৰে অধিবাসী হিচাবে থাকি সম্পূৰ্ণ ভাৰতীয় হৈ পৰে।

জামছেদজীৰ পিতাক এজন প্ৰসিদ্ধ সদাগৰ আছিল। এওঁ চীন দেশৰ লগত বেহা-বেপাৰ কৰি প্ৰচুৰ ধন ঘটিছিল।

নাভছাৰি নগৰৰ এখন সাধাৰণ প্ৰাইমাৰী স্কুলতেই

জামছেদজীৰ শিক্ষা আৰম্ভ হয়। বিদ্যাশিক্ষাৰ লগে লগেই তেওঁ সামাজিক প্ৰথানুযায় ধৰ্মপুথি আৰু সাধাৰণ গণনাদি শিক্ষা কৰে।

১৮৫২ খৃষ্টাব্দত তেওঁ উচ্চ শিক্ষাৰ কাৰণে বোম্বে নগৰলৈ আহে আৰু 'এলফিনষ্টোন' স্কুলত ভৰ্তি হয়। সেই সময়ত তেওঁৰ বয়স আছিল মাত্ৰ তেৰ বছৰ। এল-ফিনষ্টোন স্কুলত ছবছৰ শিক্ষা কৰাৰ পাচত তেওঁ ছাত্ৰজীৱনৰ সামৰণি মাৰে। পঢ়া-শুনাত তেওঁ বিশেষ ৰাপ দেখুৱাব পৰা নাছিল। বিদ্যালয়ৰ শিক্ষা সাং কৰি তেওঁ পিতাকৰ ব্যৱসায়ত যোগ দিয়ে। সেই সময়ত চীন দেশৰ লগত পাৰ্চীসকলৰ কানি ব্যৱসায় অতি প্ৰবল ভাৱে চলিছিল। তেতিয়াৰ দিনত চীনদেশৰ বয়বস্তু আমদানি, ৰপ্তানি কৰিবলৈ বৰ সহজ নাছিল। সেই গতিকে এই লাভজনক কানি বেপাৰটো পাৰ্চী-সকলৰ একচেটিয়া হৈ আছিল। জামছেদজীয়ে পিতাকৰ-পৰা এই ব্যৱসায় শিকি হংকঙলৈ গৈছিল। তাত তেওঁ কানিৰ ব্যৱসায়ৰ আওভাও বুজি লৈ বিশেষ দক্ষতা লাভ কৰে।

## দুই

আমেৰিকা যুক্তৰাষ্ট্ৰত যথেষ্ট কপাহ উৎপন্ন হয়। আৰু পৃথিৱীৰ নানা ঠাইলৈ আমেৰিকাৰপৰা কপাহ ৰপ্তানি হয়। এসময়ত ইংলেণ্ডে আমেৰিকাৰপৰাই কপাহ পাইছিল। কিন্তু যেতিয়া আমেৰিকাত ঘৰুৱা কন্দলে দেখা দিলেহি তেতিয়া ইংলেণ্ডে আমেৰিকাৰ-পৰা কপাহৰ যোগান নোপোৱা হ'ল, আৰু ভাৰতৰ কপাহৰ দাম দোপতদোপে বাঢ়ি গ'ল। এই কপাহ ব্যৱসায়ৰ কেন্দ্ৰ আছিল বোম্বে। বোম্বেৰ ব্যৱসায়ী-সকলে এই বেপাৰত হাত দি যথেষ্ট ধন উপাৰ্জন কৰিছিল।

জামছেদজীৰ বাপেকে বোম্বেৰ বিখ্যাত ব্যৱসায়ী প্ৰেমচাঁদ ৰায়চাঁদৰ লগলাগি যুটীয়াভাৱে কপাহৰ ব্যৱসায় আৰম্ভ কৰিলে। তেওঁলোকে বিলাতত কাৰবাৰ চলাবলৈ এটা বেঙ্ক খোলাৰ ব্যৱস্থা কৰি জামছেদজীক হংকঙৰ-পৰা মাতি আনি বিলাতলৈ পঠাই, তেওঁকে এই সকলো-বোৰ কাম তদাৰক কৰিবলৈ দিয়ে। কিন্তু নানা বাধা-বিঘিনিৰ মাজত বিলাতত বেঙ্ক খোলা হৈ নুঠিল।

জামছেদজীয়ে লণ্ডনত কাপোৰৰ ব্যৱসায় চলাবলৈ ধৰিলে।

বোম্বেৰ বেপাৰীসকলে ভাবছিল যে আমেৰিকাৰ গৃহকন্দলৰ ফলত কপাহৰ ব্যৱসায়ত তেওঁলোকে যথেষ্ট ধন লাভ কৰিব পাৰিব। কিন্তু ১৮৬৫ খৃষ্টাব্দত যেতিয়া হঠাৎ এই গৃহকন্দলৰ অন্ত পৰে তেতিয়া বেপাৰীসকলৰ বহুতেই লগে লগে বেপাৰ সামৰণি মাৰিব লগাত পৰিল। বোম্বেৰ বেপাৰীসকলৰ মাজত আতঙ্কৰ সৃষ্টি হৈ হাহাকাৰ লাগিল আৰু বহুতৰ কাৰবাৰ উঠি যাবৰ উপক্ৰম হ'ল। টাটা কোম্পানীয়েও বহুত লোকচান ভৰি কথমপিহে টিকি থাকিব পাৰিলে। কিন্তু লণ্ডনত টাটা কোম্পানীৰ যি কাৰবাৰ আছিল সেইবোৰ কোনোমতে ৰক্ষা নপৰিল। জামছেদজীয়ে সেই ব্যৱসায় বেচি দি দেশলৈ উভতি আহিল।

অলপ দিনৰ পাচত ইংৰাজৰ লগত আবিচিনিয়াৰ যুদ্ধ আৰম্ভ হয়। টাটা কোম্পানীয়ে এই যুদ্ধৰ সাজ-সৰঞ্জাম যোগান দিয়াৰ ভাৰ গ্ৰহণ কৰিলে। বহুত দিন যুদ্ধ চলাৰ পাচত আবিচিনিয়াৰ ৰজা থিয়োদৰ যুদ্ধত নিহত হ'ল। লগে লগে যুদ্ধবো সামৰণি পৰিল। কিন্তু টাটা কোম্পানীৰ সৰঞ্জাম যোগানৰ কাম শেষলৈকে চলিয়েই থাকিল।

এইবাৰ জামছেদজীয়ে এটা কাপোৰৰ কল কিনি তাতে সূতাও প্ৰস্তুত কৰিবলৈ ধৰিলে। সেই সময়ত বোম্বে প্ৰদেশত কাপোৰৰ কল বৰ বেচি নাছিল। গতিকে প্ৰত্যেক কলতে প্ৰচুৰ ধন লাভ হৈছিল। জামছেদজীয়েও বেছ ভালধৰণেই লাভ কৰিবলৈ ধৰিলে। কিন্তু কিছু দিনৰ পাচত তেওঁ এই কলটো বিক্ৰি কৰি দিয়ে। টাটাই কাপোৰৰ কলটো বিক্ৰি কৰি দিলে যদিও আন এটা কল কিনাৰ লোভ সামৰিব নোৱাৰিলে। অতি সুদক্ষভাৱে অভিজ্ঞতা লাভ কৰি তেওঁ পুনৰ এটা কল প্ৰতিষ্ঠা কৰিবৰ ইচ্ছাৰে ভাল কল বিচাৰি লবৰ আশাৰে বিলাতলৈ যাত্ৰা কৰিলে।

কিছু কালৰ পাচত টাটা ঘূৰি আহি কাপোৰৰ কল প্ৰতিষ্ঠা কৰিবৰ কাৰণে উপযুক্ত ঠাইৰ বিচাৰ-খোঁচাৰ কৰিবলৈ ধৰিলে। অশেষ চেষ্টা কৰাৰ পাচত তেওঁ নাগপুৰকে উপযুক্ত ভাবি মনোনীত কৰি বাছিলে। সেই ঠাইৰ ওচৰে-পাজৰে প্ৰচুৰ কপাহো উৎপন্ন হৈছিল আৰু ৰেল ষ্টেছনৰপৰা বস্তু-বাহানি অনা-নিয়াৰো যথেষ্ট সুবিধা আছিল।

যথাসময়ত কল বহুৱাবৰ কাৰণে কাম আৰম্ভ কৰিলে; এই কলৰ নিৰ্ম্মাণ কাৰ্য্য ১৮৭৬ খৃষ্টাব্দত শেষ হয়।

পাচৰ বছৰ ১৮৭৭ খৃষ্টাব্দ পহিলা জানুৱাৰীৰ দিনা এই কলত কাম আৰম্ভ কৰা হয়। সেই বছৰতেই মহাৰাণী ভিক্টোৰিয়াই 'ভাৰত সম্রাজ্ঞী' উপাধি গ্ৰহণ কৰিছিল কাৰণে এই কাপোৰৰ কলটোৰ নাম 'এম্প্ৰেছ মিল' ৰাখিলে। তেওঁৰ নৱ-প্ৰতিষ্ঠিত কাপোৰৰ কলটো যাতে ভালদৰে পৰিচালিত হয় তাৰ কাৰণে টাটাই যথেষ্ট চিন্তা ও পৰিশ্ৰম কৰি নতুন নতুন যন্ত্ৰ পাতি। ব্যৱহাৰ কৰিবলৈ ধৰিলে, বিদেশী কলৰ গৰাকীসকলে যিৰূপে তেওঁলোকৰ কলৰ উন্নতি সাধন কৰিবলৈ যত্ন কৰিছিল।

টাটাৰ উদ্দেশ্য আছিল কম সময়ত সৰহ উৎপাদন আৰু উৎকৃষ্ট বস্তু তৈয়াৰ কৰা। সেই কাৰণে তেওঁ এম্প্ৰেছ মিলটো নানা আধুনিক ধৰণৰ কল-কব্জাৰে সুসজ্জিত কৰিছিল। সেই সময়ত এম্প্ৰেছ মিলৰ লগত ফেৰ মাৰিব পৰা কোনো কাপোৰৰ কল ভাৰতত নাছিল বুলিলেও হয়। কেৱল মাত্ৰ উন্নত প্ৰণালীৰ কল আৰু উৎকৃষ্ট বস্তু তৈয়াৰ কৰিলেই কাৰবাৰৰ উন্নতি সাধন নহয়। কলেৰে যিটো বস্তু তৈয়াৰ হয় তাৰ আদৰ বেচি হব লাগিব। টাটাই তেওঁৰ কলত প্ৰস্তুত হোৱা কাপোৰ প্ৰচলনৰ কাৰণে নানা ঠাইলৈ মানুহ পঠাই উপযুক্ত

বজাৰৰ সন্ধান কৰিলে যাতে নিৰ্দিষ্ট ঠাইলৈ কম সময়তে কম খৰচত বেচি মাল পঠাব পাৰে।

কাপোৰৰ কল চলাবলৈ হ'লে কম দামত উৎকৃষ্ট কপাহ পাব লাগে। সেই গতিকে জামছেদজীয়ে তেওঁৰ কলৰ পিচফালে সামান্যৰূপে কপাহ খেতিৰো ব্যৱস্থা কৰিছিল। আৰু আন আন ঠাইৰপৰাও যাতে কম দামত কপাহ আনিব পাৰে তাৰো সুব্যৱস্থা কৰিলে। প্ৰত্যেক কাৰবাৰৰ সুনাম-দুৰ্নাম, সফলতা-বিফলতা, লাভ-ক্ষতি, উন্নতি-অৱনতি ইত্যাদি নিৰ্ভৰ কৰে কৰ্মচাৰী-সকলৰ কাৰ্য্যদক্ষতাৰ ওপৰত। এই কৰ্মচাৰীসকলে যদি সুখেৰে, আনন্দমনে কাম কৰিব নোৱাৰে তেনেহলে তাৰপৰা ভাল ফল আশা কৰা মিছা। কৰ্মচাৰীসকলৰ এই সুখ-দুখ, ভাল-বেয়া নিৰ্ভৰ কৰে কলৰ গৰাকীৰ ওপৰত। টাটাই কৰ্মচাৰীসকলক বুজাইছিল যে কৰ্মচাৰী-সকলে ভালদৰে মনপুতি কাম কৰিলে ব্যৱসায়ত উন্নতি হব। তাৰ লগে লগে তেওঁলোকে নানান সুবিধা ভোগ কৰিবলৈ পাব। সেই কাৰণে জামছেদজীয়ে তেওঁৰ মিলৰ কৰ্মচাৰীসকলক নানা বঁটা আদি দিয়াৰ ব্যৱস্থা কৰিছিল আৰু কোম্পানীৰ বছৰেকীয়া লাভৰ কিছু অংশ কৰ্মচাৰী-সকলৰ মাজত ভগাই দিছিল। ইয়াৰ ওপৰিও মিলত

কাম কৰি যিসকলৰ কোনো দুৰ্ঘটনাত অঙ্গ হানি হৈছিল, তেওঁলোককো একোটা বছেৰেকীয়া বৃত্তি দিয়াৰ ব্যৱস্থা কৰিছিল। যিসকলে এটা নিৰ্দিষ্ট কাল ভালদৰে কাম কাজ চলাই অৱসৰ পাইছিল, তেওঁলোকৰ কাৰণেও একোটা পুৰস্কাৰৰ ব্যৱস্থা কৰিছিল। ইত্যাদিবিলাক সুখ-সুবিধাৰ ফলত এম্প্ৰেছ মিলৰ কাম-কাজ ভালদৰেই চলিবলৈ ধৰিলে আৰু লাভৰ মাত্ৰাও অন্যান্য মিলতকৈ সৰহ হবলৈ ধৰিলে। আনহাতে কৰ্মচাৰীসকলৰ মাজত ভাল কাম কৰাৰ এটা প্ৰতিযোগিতাও আৰম্ভ হ'ল।

কৰ্মচাৰীসকলে যাতে অৱসৰ সময়ত আমোদ-প্ৰমোদ, জ্ঞান-চৰ্চা আদি কৰিব পাৰে তাৰ বাবে তেওঁ এখন খেল পথাৰ আৰু এটি পাঠাগাৰ স্থাপন কৰাই দিলে। তেওঁৰ এম্প্ৰেছ মিলতে কিছুমান মানুহক মিলৰ বিষয়ে শিক্ষা দিবলৈ ভৰ্তি কৰি লৈ হাতে কামে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল, এই কাৰ্য্যত তেওঁৰ মিলৰ যি উপকাৰ হৈছিল আনবো তেনে উপকাৰ হৈছিল। এনেলোকৰে যি সকলে কামত কৃতিত্ব দেখুৱাব পাৰিছিল, তেওঁলোকক টাটাই নিজৰ মিলতে চাকৰি দি ৰাখিছিল।

# তিনি

দহ বছৰমান এই এক্সপ্ৰেছ মিলটো চলোৱাৰ পাচত জামছেদজীয়ে বুজিব পাৰিলে যে অলপ চেষ্টা, বুদ্ধি কৰিলেই এই দেশতো ভাল মিহি কাপোৰ প্ৰস্তুত কৰিবৰ উপায় কৰিব পৰা হব। ইয়াকে ভাবি তেওঁ এটা উচ্চখাপৰ আধুনিক কাপোৰৰ কল স্থাপন কৰিবলৈ মন কৰিলে। সেই সময়ত বোম্বে প্ৰেচিডেঞ্চিত 'ধৰমৃছি' নামৰ মিলটোৱেই সকলোতকৈ উত্তম কাপোৰৰ কল আছিল। কিবা কাৰণত এই মিলটো গৰাকীয়ে চাৰে বাৰ লাখ টকাত নিলাম কৰিবলৈ ওলোৱাত জাম-ছেদজীয়ে এই টকা দি মিলটো কিনি ৰাখিলে। এই মিলটোকে প্ৰথমে স্থাপন কৰোঁতে পঞ্চাশ লাখ টকা খৰচ পৰিছিল। গতিকে সকলোৱে ভাবিছিল যে জামছেদজীয়ে মিলটো কম মূল্যতে পাইছে, কিন্তু টাটাই এই মিলটো কিনি যে এটা বৰ ডাঙৰ ভুল কৰিছিল তাক পাচতহে তেওঁ বুজিব পাৰিছিল।

ইয়াক পুনৰ সুচল কৰি চলাই কাম কৰিবলৈ হ'লে বহুত ধন খৰচ কৰিব লাগিব। বহুতে তেওঁক এই

অকামিলা মিলটোৰ কাৰণে অযথা ধন খৰচ কৰিবলৈ হাক দিছিল। কিন্তু জামছেদজীৰ স্বভাৱৰ এটা বিশেষত্ব আছিল যে তেওঁ এবাৰ যি কাম হাতত লৈছিল তাক শেষ নোহোৱাকৈ কেতিয়াও নেৰিছিল। ধৰমৃছি মিলটো পুনৰ সংস্কাৰ, সংশোধন কৰি তাৰপৰা লাভ হোৱাৰ আশাত বছৰে তেওঁ বিকল অংশবোৰ এটি এটিকৈ সলনি কৰি যাবলৈ ধৰিলে। অৱশেষত তেওঁৰ ধৈৰ্য্য ও সাহসেৰে বহুত ধন খৰচ কৰি দহ বছৰৰ মূৰত এই উৰলি পৰা মিলটোক সম্পূৰ্ণৰূপে সংস্কাৰ কৰি নৱজীৱন দান কৰিলে।

ইয়াৰ পাচত পূৰ্ণ উদ্যমেৰে মিলৰ কাম আৰম্ভ হ'ল। লাভৰ অংশও লাহে লাহে ঘৰলৈ আহিবলৈ ধৰিলে। এই কাৰ্য্যত সকলোৱে টাটাৰ অধ্যৱসায় আৰু ধৈৰ্য্য দেখি অবাক নহৈ নোৱাৰিলে। টাটাই এই মিলটোৰ নাম থলে "স্বদেশী মিল।" সেই সময়ত টাটাৰ দুয়োটা কাপোৰৰ মিল বেছ ভালদৰেই চলিবলৈ ধৰিলে। লাভৰ অংশও ক্ৰমাৎ বাঢ়ি গ'ল। কিন্তু সেই লাভতে সন্তুষ্ট হৈ টাটা ক্ষান্ত নাথাকিল। তেওঁৰ কাৰবাৰে যাতে আৰু শ্ৰীবৃদ্ধি সাধন কৰিব পাৰে তাৰ কাৰণে তেওঁ অশেষ পৰিশ্ৰম কৰিছিল। জামছেদজীয়ে কেৱল মাত্ৰ যে পুৰণা কাৰবাৰৰ উন্নতি সাধনতে ব্যস্ত আছিল এনে নহয়,

তেওঁ কাৰবাৰ-ক্ষেত্ৰ বৃদ্ধি কৰি বেপাৰৰ উন্নতিৰ হকে নতুন নতুন বাট-পথ উলিয়াবলৈ মনোযোগ দিছিল।

সেইকালত আমাৰ দেশত কপাহৰ খেতি উন্নত প্ৰণালীৰ নাছিল। সেই কাৰণে টাটাই মিচৰলৈ গৈ তাত কপাহ খেতি কৰাৰ উন্নত প্ৰণালী চাই-চিতি ভালদৰে শিক্ষা লাভ কৰি আহিছিল। তেওঁৰ বিশ্বাস আছিল যে, ভাৰতে যদি মিচৰৰ খেতি কৰা প্ৰণালী গ্ৰহণ কৰি খেতি কৰিবলৈ লয়, তেনেহলে ভাৰততো উৎকৃষ্ট কপাহ খেতি কৰিব পৰা হব।

সেই সময়ত বোম্বেৰ মিলৰ গৰাকীসকলৰ লগত বিলাতী ষ্টিমাৰ কোম্পানীৰ বস্তুৰ মাচুল লৈ বিবাদ আৰম্ভ হয়। ইফালে চীন আৰু জাপানে বোম্বেৰপৰা বহুত বস্তু আমদানি কৰিব বুলি ভাবি জাহাজ কোম্পানীয়ে বস্তুৰ মাচুল বৰ বেচি ৰকমে বঢ়াই দিয়ে। এনেবোৰ কাৰণত বেপাৰীসকল বিশেষ অসন্তুষ্ট হৈছিল যদিও ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিবলৈ কোনেও সাহস নকৰিছিল।

টাটাই বিলাতী জাহাজ কোম্পানীৰ এই অত্যাচাৰৰ বিৰুদ্ধে থিয় দিলে। যি কোনো উপায়েৰে হওক ইয়াৰ এটা প্ৰতিবিধান কৰিবলৈ বুলি তেওঁ জাপানলৈ যাত্ৰা

কৰে, আৰু তাৰ এটা জাহাজ কোম্পানীৰ লগত বস্তু-বাহানি পঠোৱাৰ সু-বন্দোবস্ত কৰি আছিলে। টাটাই যে কেবল নিজৰ বয়বস্তু পঠাবৰ নিমিত্তেহে এই ব্যবস্থা কৰিছিল এনে নহয়। বোম্বেৰ অন্যান্য ব্যবসায়ীসকলেও যাতে বিলাতী জাহাজ কোম্পানীৰ জাহাজত বস্তু নপঠাই জাপানী জাহাজ কোম্পানীৰ জাহাজতহে বস্তু পঠায় তাৰ কাৰণে তেওঁ এটা দল গঠন কৰি তেওঁলোকৰ হতুৱাই এইভাবে এখন চুক্তি-পত্ৰ লিখাই ললে। "ভবিষ্যতে যদি বিলাতী কোম্পানীৰ জাহাজে জাপানী জাহাজতকৈ কম মাচুলত বস্তু কঢ়িয়াবলৈ গাত লয় তথাপি বিলাতী জাহাজ কোম্পানীত তেওঁলোকে বস্তু-বাহানি পঠাব নোৱাৰে।"

এনেদৰে জাপানী জাহাজ কোম্পানীৰ কাম বেছ ভাল ধৰণেই চলিবলৈ ধৰিলে। সকলোৱেই বিলাতী কোম্পানীৰ জাহাজত বস্তু পঠাবলৈ বন্ধ কৰিলে। এনে সঙ্কট অৱস্থাত পৰি বিলাতী জাহাজ কোম্পানীৰ বহুত ক্ষতি হয়। তেওঁলোকে জাপানী জাহাজ কোম্পানীক বিফল কৰিবলৈ জাহাজৰ মাচুল য'ত ১৯ টকা লৈছিল তাৰ ঠাইত ২টকা আৰু সৰ্বশেষত ১ টকাতো বস্তু কঢ়িয়াবলৈ ওলাল। ব্যৱসায়ীসকলে যাতে বিলাতী

কোম্পানীৰ প্ৰলোভনত পৰি তেওঁলোকৰ প্ৰতিশ্ৰুতিৰ কথা পাহৰি নাযায়, তাৰবাবে টাটাই ব্যৱসায়ীসকলক এইবুলি সাৱধান কৰি দিছিল যে জাপানী কোম্পানীয়ে প্ৰতিযোগিতাত পৰাস্ত হ'লেও ব্যৱসায়ীসকলে যেন আকৌ বিলাতী কোম্পানীৰ শৰণাপন্ন হৈ নপৰে। তেতিয়া বিলাতী কোম্পানীয়ে সুযোগ বুজি তেওঁলোকৰ পৰাই ক্ষতিপূৰণ আদায় কৰিবলৈ বাধ্য কৰাব।

কিন্তু অতি দুখৰ বিষয় যে টাটাই অশেষ চেষ্টা কৰিও ফলৱতী হব নোৱাৰিলে। বেপাৰীসকলে বিলাতী কোম্পানীৰ কম মূল্যত বস্তু পঠোৱাৰ লোভ সামৰিব নোৱাৰিলে। কিন্তু বিলাতী কোম্পানীয়ে ঠেকত পৰি যি শিক্ষা পালে তেওঁলোকে আৰু জাহাজৰ মাচুল বঢ়াবলৈ সাহস নকৰিলে। টাটাই তেওঁৰ অলপ ধতুৱা স্বদেশী বেপাৰী ভাইসকলৰ ব্যৱহাৰত অতিশয় বেজাৰ পালে।

## চাৰি

টাটাই পাশ্চাত্য জগতৰ নানা ঠাই ভ্ৰমণ কৰি অন্তৰত এটা ভাব পোষণ কৰিছিল যে বিজ্ঞান চৰ্চা নকৰাকৈ

জগতত কোনো জাতিয়ে উন্নতিৰ পথত আগুৱাব নোৱাৰে। শিল্প, বাণিজ্যত পাশ্চাত্য জগতৰ দৰে উন্নত হবলৈ হ'লে ভাৰতত বিজ্ঞান চৰ্চাৰ বিশেষ আৱশ্যক। বিজ্ঞান চৰ্চাৰ বাবে যেনে এটা উপযুক্ত বিজ্ঞানাগাৰৰ প্ৰয়োজন, ভাৰতত তেনে এটা উৎকৃষ্ট সুসজ্জিত বিজ্ঞানাগাৰ নাই। সেই কাৰণে টাটাই ভাৰতবৰ্ষত এটা উন্নত ধৰণৰ আধুনিক বিজ্ঞনাগাৰ প্ৰতিষ্ঠাৰ সঙ্কল্প হাতত লৈছিল।

কোনো এটা কাম কৰিবলৈ আগ্ৰহ জন্মিলেই ভালদৰে আঁতি-গুৰি ভাবি নোচোৱাকৈ কাম আৰম্ভ কৰা টাটাৰ স্বভাৱ নাছিল। তেওঁ সকলো বিষয়ে ভালদৰে গমিপিতি চাই আৱশ্যক হ'লে বিশেষজ্ঞসকলৰ লগতো পৰামৰ্শ কৰিছিল। ভাৰতত কেনে ধৰণে বিজ্ঞানাগাৰটো স্থাপন কৰা উচিত, তাতনো শিক্ষাৰ্থীসকলক কি কি শিক্ষা দিয়া হব আৰু সেইবোৰ পাচত দেশৰৰ পক্ষে উপযোগী হবনে নহয় ইত্যাদিবোৰ কথা পুঙ্খানুপুঙ্খভাৱে আলোচনা কৰিবলৈ অভিজ্ঞ লোকসকলৰ সহায় লৈছিল। তেওঁ এই বিষয়ে সকলো তথ্য সংগ্ৰহ কৰিবলৈ এজন গ্ৰেজুৱেটক ইউৰোপ আৰু আমেৰিকাৰ বিজ্ঞানাগাৰসমূহ চাই আহিবলৈ পঠাইছিল। বিজ্ঞান শিক্ষাৰ বিষয়বোৰ স্থিৰ কৰিবলৈ

কিমান ধনৰ প্ৰয়োজন এই বিষয়ে আলোচনা চলাবলৈ ধৰিলে। দেখা গ'ল যে এই কাৰ্য্যত প্ৰায় ত্ৰিশ লাখ টকাৰ আৱশ্যক হব। বিষয়টো ভালদৰে পৰীক্ষা কৰি আলোচনা কৰিবলৈ কেইগৰাকীমান যোগ্যলোকৰ এখন কমিটী গঠন কৰি দিলে। এই কমিটীয়ে ভাৰত চৰকাৰৰ ওচৰত বিজ্ঞানাগাৰটো স্থাপনৰ বাবে খাটনি ধৰি অনুমতি বিচাৰিলে। সেই সময়ত ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কাৰ্জন। তেওঁ টাটাৰ সংকাৰ্য্যত আশ্বাস ও উৎসাহ দিলে। অৱশেষত ১৯০৯ খৃষ্টাব্দত ভাৰত চৰকাৰে বিজ্ঞানাগাৰটো স্থাপনৰ কাৰণে অনুমতি দান কৰিলে আৰু ইয়াক মহীশুৰ ৰাজ্যৰ বাঙ্গালোৰতে স্থাপন কৰিবলৈ স্থিৰ কৰা হ'ল। এই সম্পৰ্কে মহীশুৰ ৰজাৰ ওচৰত আবেদন কৰাত তেওঁ বিজ্ঞানাগাৰৰ কাৰণে আৱশ্যকীয় মাটি দান কৰিলে আৰু এই কাৰ্য্যৰ সহায়ৰ অৰ্থে প্ৰতিশ্ৰুতি দিলে। ভাৰত চৰকাৰেও পোনতে আঢ়ৈলাখ টকা আৰু তাৰ তিনি বছৰৰ মূৰত ডেৰলাখ টকা দিবলৈ সন্মত হ'ল। হিচাব-পত্ৰ কৰি দেখা গ'ল যে এই বাৰ্ষিক খৰচ-পাতিৰ কাৰণে প্ৰায় দুই লাখ টকাৰ আৱশ্যক হব। জামছেদজীয়ে এই খৰচৰ কাৰণে ত্ৰিশলাখ টকাৰ সম্পত্তি দান কৰিলে।

১৯১০ খৃষ্টাব্দত এই বিজ্ঞানাগাৰটো মুকলি কৰা হয়। কিন্তু যিজন পুৰুষে অতি আগ্ৰহেৰে অত ধন ভাঙি এই প্ৰতিষ্ঠানটি প্ৰতিষ্ঠা কৰিলে, তাক তেওঁ জীৱন-কালত দেখি যাবলৈ নাপালে। এই বিজ্ঞানাগাৰটিৰ নাম ৰখা হয়, "দি ইণ্ডিয়ান ইনষ্টিটিউট অব্ ৰিছাৰ্চ।"

জামছেদজীয়ে বহুত দিনৰপৰাই এটা আশা কৰিছিল যে তেওঁ ভাৰতীয় ছাত্ৰক উচ্চ শিক্ষাৰ কাৰণে এটা বৃত্তি দিয়াৰ ব্যৱস্থা কৰিব। বহুতো প্ৰতিভাশালী দৰিদ্ৰ ছাত্ৰই তেওঁলোকৰ দৰিদ্ৰতাৰ কাৰণত বিদেশত গৈ উচ্চ শিক্ষা লাভ কৰিব নোৱাৰিছিল। কিন্তু তেওঁলোকক যদি ধন দি সহায় কৰা হয় তেনেহলে তেওঁলোকে বিদেশলৈ গৈ উচ্চ শিক্ষা লাভ কৰি আহি দেশৰ মুখ উজ্জ্বল কৰিব পাৰিব। টাটাই দুটা বৃত্তিৰ ব্যৱস্থা কৰি বিশেষ প্ৰতিভাশালী ছাত্ৰৰ শিক্ষা লাভৰ উপায় কৰি দিলে। সাহিত্য, বিজ্ঞান, দৰ্শন, বাণিজ্য প্ৰভৃতিৰ যিকোনো বিষয়ে উচ্চ শিক্ষাৰ কাৰণে এই বৃত্তি দিয়াৰ ব্যৱস্থা হ'ল।

১৮৯২ খৃষ্টাব্দত সৰ্বপ্ৰথমে এই বৃত্তিৰ ব্যৱস্থা প্ৰবৰ্তিত হয়। পোন প্ৰথমতে মাত্ৰ পাৰ্চী ছাত্ৰসকলকহে এই বৃত্তিৰ সুবিধা দানৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু কেইবছৰ-

মানৰ পাচত এই নিয়মৰ সাল-সলনি কৰি ভাৰতীয় ছাত্ৰ মাত্ৰেই যাতে এই বৃত্তিৰ সুবিধা ভোগ কৰিব পাৰে তাৰে উপায় কৰা হ'ল। এই বৃত্তিটোৰ এটা নিয়ম আছিল যে বিদেশৰপৰা শিক্ষা লাভ কৰি আহি যেতিয়া কোনো চাকৰি-বাকৰি কৰিব সেই বৃত্তিৰ ধন লাহে লাহে পৰিশোধ কৰিব লাগিছিল।

## পাঁচ

টাটাৰ লোহাৰ কাৰখানা ভাৰতত সু-প্ৰসিদ্ধ। এই কাৰখানাৰ কাৰণেই টাটা আজি মৰিও অমৰ। ভাৰতত লোহা কাৰখানা স্থাপন কৰাৰ আকাঙ্ক্ষা তেওঁ হৃদয়ত পোষণ কৰিছিল। আগেয়ে মানুহৰ ধাৰণা আছিল যে ভাৰতত এই লোহা কম পৰিমাণেহে পাবলৈ আছিল। সেই কাৰণে এই দেশত ভাল কাৰখানা চলোৱাৰ সম্ভাৱনা কম আছিল। কিন্তু পাচত বৈজ্ঞানিকসকলৰ অনুসন্ধানৰ ফলত নানা ঠাইত ডাঙৰ ডাঙৰ লোহাৰ খনিৰ সন্ধান পোৱা হ'ল।

টাটাই নিজ অভিজ্ঞতা, প্ৰতিভা আৰু ব্যৱসায় বুদ্ধিৰ

গুণে বুজিব পাৰিলে যে ভাৰতত ভাল ৰকমেই এটা লোহাৰ কাৰখানা চলিব পাৰে আৰু এই কাৰখানাটো কোনো এটা লোহাৰ খনিৰ ওচৰতহে পতা উচিত হব। ইয়াকে ভাবি টাটাই উপযুক্ত লোহাখনিৰ সন্ধান কৰিবলৈ বিশেষজ্ঞ নিযুক্ত কৰিলে। তেওঁলোকে ভাৰতৰ নানা ঠাই ঘূৰি-পকি পৰীক্ষা কৰি লোহাখনিৰ সন্ধান কৰিবলৈ ধৰিলে। অৱশেষত ত্ৰিশবছৰ নানা সন্ধান চলোৱাৰ পাচত বিহাৰৰ "ছাকৃচি" নামৰ ঠাইত লোহাৰ সন্ধান পালে। এই ছাকৃচিলৈ যাবলৈ হ'লে যিটো ষ্টেচনত নামিবলগীয়া হয় সেই ষ্টেচনৰ নাম আছিল "কালিমাটি"। কিন্তু বৰ্তমান এই কালিমাটি নাম সলনি কৰি টাটানগৰ নাম দিয়া হয়।

ছাকৃচিত লোহা কাৰখানা স্থাপনৰ কাৰণে নিৰ্দিষ্ট স্থানৰ আয়োজন চলিল। ঠিক এনে সময়তে ১৯০৪ খৃষ্টাব্দত জামছেদজী টাটা স্বৰ্গগামী হয়। তেওঁৰ পৰম আগ্ৰহৰ কাৰখানাটিৰ ভেঁটিৰ স্থাপন কাৰ্য্যকে নিজ চকুৰে দেখিবলৈ নাপালে। জামছেদজীৰ মৃত্যুৰ পাচত তেওঁৰ সুযোগ্য পুতেকে পূজনীয় বাপেকৰ কল্পনাকে কাৰ্য্যত ৰূপ দিলে। ১৯০৫ খৃষ্টাব্দত এই কাৰখানাৰ ভেঁটি স্থাপিত হয় আৰু ১৯০৭ খৃষ্টাব্দৰ পৰা এই কাৰখানাৰ উৎপাদন কাৰ্য্য আৰম্ভ হয়। কাৰখানাঘৰ সম্পূৰ্ণ হবলৈ নৌপাওঁতেই কাৰখানাৰ কাম আৰম্ভ কৰিবলগীয়া হ'ল।

একালে ঘৰ নিৰ্মাণ কাৰ্য্য আৰু আনফালে কাৰখানাৰ কাম চলিবলৈ ধৰিলে।

যি ছাকৃচি এদিন হাবিৰে পৰিপূৰ্ণ আৰু য'ত দুই এঘৰ চাওতাল জাতীয় মানুহৰ বাদে আন মানুহৰ মুখ দেখিবলৈ নাছিল, সেই ছাকৃচি বৰ্তমান জাকত জিলিকা এখন নগৰলৈ পৰিণত হ'ল। এই নগৰলৈ লোহা কাৰখানা চাবৰ কাৰণে বছৰি দেশ-বিদেশৰপৰা নানা লোকৰ সমাগম হয়।

ভাৰতৰ ভূতপূৰ্ব ৰাজ-প্ৰতিনিধি লৰ্ড চেমচফোৰ্ডে এই কাৰখানা চাবলৈ গৈ ইয়াৰ কাৰ্য্য-কলাপ আৰু দ্ৰব্য প্ৰস্তুত প্ৰণালী দেখি বৰ আনন্দ পাইছিল। তেওঁ কৈছিল, "দহ বছৰৰ আগতে যিখন ঠাই বনৰীয়া জন্তুৰ আশ্ৰয় স্থল হৈ অটব্য ঘন হাবিৰে পৰি আছিল সেই ঠাই আজি হাজাৰ হাজাৰ বনুৱাৰ এখন ব্যস্ত কৰ্ম্মক্ষেত্ৰ হৈ পৰিল। যাৰ দূৰদৃষ্টি, কল্পনা ও প্ৰতিভাৰ ফলত আমি এই বিৰাট কাৰখানা দেখিবলৈ পাইছোঁ তেওঁৰ স্মৃতি ৰক্ষাৰ্থে আজি মই এই ছাকৃচি নগৰ নাম সলনি কৰি জামছেদপুৰ ৰাখিলোঁ।" জামছেদপুৰ নগৰেই আজি ভাৰতবৰ্ষৰ এখন আগশাৰীৰ প্ৰখ্যাত চহৰৰ সম্মান পাইছে।

ইয়াৰ বাট-পথ, আদালত, বিদ্যালয়, চিপাহী, চিকিৎ-সালয়, বজাৰ, ইত্যাদি সকলোবোৰেই টাটা কোম্পানীৰ।

মিউনিচিপেলিটিয়ে কৰিবলগীয়া সকলো কামেই কোম্পানীৰ নিজা তত্বাৱধানত সুন্দৰভাৱে সম্পাদন হয়। আগতে এই ঠাইত মামলা-মোকৰ্দ্দমাৰ কোনো সুবিধাৰ নাছিল। কিন্তু কোম্পানীয়ে বিচাৰৰ সুবিধাৰ কাৰণে কিছুমান উচ্চ-পদস্থ কৰ্মচাৰী নিযুক্ত কৰিলে।

নগৰখনক চাৰি ভাগত বিভক্ত কৰা হৈছে। উত্তৰ অংশত উচ্চ-পদস্থ কৰ্মচাৰীসকলৰ শাৰী শাৰী বাসভৱন। নগৰৰ প্ৰত্যেকটো ঘৰতেই বিজুলীবাতি আৰু পাখাৰ ব্যৱস্থা আছে। বাট-পথ ঘৰ-দুৱাৰ বেছ পৰিষ্কাৰ পৰিচ্ছন্ন। নগৰৰ দক্ষিণভাগ দুভাগে বিভক্ত, এক অংশৰ নাম জি. টাউন আৰু আন অংশৰ নাম এইচ্. টাউন। পূৰ্ব্বভাগৰ নাম হ'ল এল. টাউন। জি. আৰু এইচ. টাউনৰ আশে-পাশে শ্ৰমিক শ্ৰেণীৰ বনুৱাই বাস কৰে। জি, এইচ, আৰু এল. টাউনত ভদ্ৰলোকৰ বসতি। নগৰৰ আলি পদূলিৰ নাম এ. ৰ'ড বি'ৰড, ফাৰ্ষ্ট এভিনিউ, চেকেণ্ড এভিনিউ ইত্যাদি। মহানগৰী আমেৰিকাৰ দৰে এই নগৰখন পৰিপাটিকৈ সজোৱা হৈছে।

নগৰত পানী যোগানৰ উন্নত ব্যৱস্থা আছে। এই পানী প্ৰায় দুমাইল দূৰত থকা 'সুবৰ্ণৰেখা ' নামৰ এখন নদীৰপৰা বৈদ্যুতিক পাম্পৰ সহায়েৰে কাৰখানালৈ অনা হয়। কাৰখানাতে এই পানী শোধিত কৰি নগৰত

সৰবৰাহ কৰা হয়। নগৰৰ সকলো বাট-পথবোৰতে বিজুলী পোহৰৰ ব্যৱস্থা আছে। সকলোৱে যাতে বিনা-মূল্যত চিকিৎসাৰ সুবিধা লব পাৰে তাৰ বাবে চিকিৎ-সালয়ৰ ভাল সুবিধা আছে।সকলো ধৰণৰ শিক্ষাৰ নিমিত্তে নগৰত সুবন্দোৱস্ত আছে, উচ্চ ইংৰাজী স্কুল, বালিকা স্কুল, শিল্প স্কুল, বিনামাচুলৰ প্ৰায়মাৰী স্কুল, প্ৰভৃতি নানা শ্ৰেণীৰ স্কুল কোম্পানীৰ নিজা খৰচ আৰু তত্বাৱধানত চলি আছে।

ৰেল ষ্টেচনৰপৰা জামছেদপুৰলৈ যাবৰ সুবিধাৰ কাৰণে মটৰগাড়ী, ৰিক্সা আৰু টাটা কোম্পানীৰ মটৰবাছ আদি আছে। বিদেশী যাত্ৰীসকল নগৰত থকা মেলাৰ কাৰণে এটা উৎকৃষ্ট অতিথিশালা আৰু ভোজনালয়ৰ ব্যৱস্থা আছে।

টাটাৰ লোৰ কাৰখানাটো এটা বৃহৎ আৰু আচৰিত প্ৰতিষ্ঠান। ইয়াক নিজ চকুৰে নেদেখিলে কথাৰে কৈ বুজনি দিয়া টান। লোহা আমি যিটো অৱস্থাত দেখিবলৈ পাওঁ ইয়াক খনিত তেনে অৱস্থাত পোৱা নাযায়। ইয়াক

শিল আৰু মাটিৰ লগত মিহলি হৈ থকা আকাৰত খনিত পোৱা যায়। পাচত তাক বৈজ্ঞানিক প্ৰণালীৰে বিশুদ্ধ কৰি ভাগ ভাগকৈ লোৱা হয়। এনে মিহলি লোহাৰ পৰাই টাটা কোম্পানীত লোহা প্ৰস্তুত কৰা হয়।

জামছেদপুৰৰপৰা প্ৰায় বত্ৰিশ মাইল দূৰত 'গৰুমহিষাণী' নামৰ এখন পাহাৰ আছিল। এই পাহাৰৰ পৰাই লোহা মিহলি শিল-মাটি কাটি অনা হয়। এই শিলৰ টুকুৰাবোৰত অধিকমাত্ৰা লোহা মিহলি হৈ থাকে। এই গৰুমহিষাণী পাহাৰৰপৰা টাটাৰ কাৰখানালৈ এটা ৰেল বাট আছে। শিল কটা হ'লে তাক ৰেলৰ ডবাত বোজাই কৰি কাৰখানালৈ অনোৱা হয়।

টাটা কোম্পানীৰ এটা উল্লেখযোগ্য কীৰ্তি হৈছে 'হাইড্ৰোইলেক্‌ট্ৰিক পাওৱাৰ ছাপ্লাই কোম্পানী।' এই কোম্পানীৰপৰাই নগৰৰ সকলো ঠাইলৈ বিজুলী শক্তি পঠাই নগৰৰ চাকি-বন্তি, পাখা, কল-কাৰখানা আদিৰ ইঞ্জিন চলোৱা হয়।

টাটাই তেওঁৰ ডাঙৰ ডাঙৰ পৰিকল্পনাসমূহ বাস্তৱত পৰিণত হোৱা নিজৰ চকুৰে চাই যাবলৈ নাপালে। তেওঁৰ সুযোগ্য পুত্ৰ চাৰ দোৰাব টাটাই এই হাইড্ৰো-ইলেক্‌ট্ৰিক পাওৱাৰ ছাপ্লাই কোম্পানীৰ কাম আৰম্ভ কৰে।

# সাত

জামছেদজী টাটাৰ জীৱন আছিল এক কৰ্মৰ মহোৎসৱ। তেওঁৰ প্ৰতিভাৰ গুণতে একো একোটা বিচিত্ৰ কৰ্ম-পন্থা আবিষ্কাৰ কৰিব পাৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁ জীৱনত যি পৰিকল্পনা হাতত লৈছিল তাৰে এটাকো তেওঁ নিজে জীৱনকালত ৰূপ দিবলৈ নাপালে।

কৃষিকাৰ্য্য উন্নতিৰ হকে টাটাৰ উৎসাহ আছিল অসীম দেশৰ খেতিয়কসকলে যাতে আধুনিক ধৰণৰ উন্নত প্ৰণালীৰে খেতি-বাতি কৰি মাটিৰ উৎপাদন শক্তি বঢ়াব পাৰে তাৰ বাবে তেওঁ বিশেষ যত্ন কৰিছিল। এই বিষয়ে কাণসাৰ দিবলৈ চৰকাৰকো তেওঁ বাৰে বাৰে অনুৰোধ কৰিছিল। কিন্তু চৰকাৰ পক্ষৰপৰা এই বিষয়ত একো আগ্ৰহ নেদেখি টাটা হতাশ হৈ পৰিল। তেওঁ কৈছিল কৃষিকাৰ্য্যৰ উন্নতিৰ অৰ্থে চৰকাৰে হাত উজান নিদিলে সাধাৰণ প্ৰজাই নিজে অকলশৰীয়াকৈ উন্নতি সাধন কৰিব পৰা অসম্ভৱ।

টাটাই তেওঁৰ নিজা ঘৰ নাভছাৰিত সামান্যৰূপে এখন বোটানিকেল গাৰ্ডেন ৰচনা কৰিছিল। পৃথিৱীৰ বিভিন্ন ঠাইৰপৰা বেলেগ বেলেগ গছ-গছনি আনি

তেওঁৰ বাগিছাৰ সৌন্দৰ্য্য বঢ়াইছিল। তেওঁৰ ভাল ভাল গছ-লতা, ফল-ফুলৰ গছ চকুত পৰিলেই ধন-বিত খৰচ কৰি হ'লেও তেওঁ সেই ঠাইৰপৰা আনি নিজৰ বাগিছাৰ শোভা বঢ়াইছিল। যিবোৰ গছ-লতাই আমাৰ দেশৰ বা-বতাহ সহ্য কৰিব নোৱাৰিছিল, টাটাই সেইবোৰক জীয়াই ৰাখিবলৈ কৃত্রিম উপায় অৱলম্বন কৰিছিল।

টাটা আছিল অপৰিমিত ধনৰ অধিকাৰী। কিন্তু কোটি কোটি ধনৰ অধিকাৰী হৈও তেওঁৰ স্বভাৱত বিলাসিতা বা আড়ম্বৰ নাছিল। তেওঁ যেনেকৈ ধন উপাৰ্জন কৰিছিল আনহাতে সেই ধনৰ সদ্ব্যৱহাৰ কৰি দেশ আৰু দহৰ উপকাৰ কৰি গৈছিল। তেওঁৰপৰা দেশৰ যে মহৎ উপকাৰ হৈছিল তাক কোৱা বাহুল্য মাত্র। তেওঁৰ প্রতিষ্ঠিত কাৰখানাসমূহে আমাৰ দেশৰ লাখ লাখ নিবনুৱাক জীৱিকাৰ সংস্থান দিছে। দেশৰ ধন দেশতেই ৰৈছে। বেপাৰত বিদেশৰপৰাও দেশলৈ প্রচুৰ ধনৰ সমাগম হৈছে।

কংগ্রেছৰ প্রতি টাটাৰ আন্তৰিক সহানুভূতি আছিল। কংগ্রেছৰ কামত তেওঁ বহুতো টকা দান কৰি গৈছে। দেশ সেৱা কৰিবলৈ হ'লে ৰাজনৈতিক আন্দোলনত যোগদান কৰি সভা-সমিতিত দুই চাৰিটা তেজস্বী বক্তৃতা দান কৰিলেই দেশৰ সেৱা কৰা নহয়, এই কথাটো তেওঁ ভালদৰে উপলব্ধি কৰিছিল।

যি সকলে দেশৰ ধন, সম্পদ বৃদ্ধি কৰি দেশক সমৃদ্ধিশালী কৰি তুলিবলৈ চেষ্টা কৰে, সাধাৰণ ৰাইজৰ ভাত কাপোৰৰ হাহাকাৰ মোচন কৰাত সহায় কৰে, দেশত শিক্ষা বিস্তাৰত উৎসাহ ও উদগনি দিয়ে আৰু দেশৰ স্বাৰ্থৰক্ষাৰ্থে বিবিধ উপায় উদ্ভাৱন কৰি দেশৰ কৃষিকাৰ্য্য, শিল্প, বাণিজ্যৰ উন্নতি সাধনৰ চেষ্টা কৰে তেওঁলোকো একোজন প্ৰকৃত দেশসেৱক।

জামছেদজী টাটাৰ চৰিত্ৰত এই সকলো সদ্ গুণৰ পৰিচয় পোৱা যায়। টাটাৰ এই মহৎ আদৰ্শৰ বাবে গোটেই ভাৰত আজিও টাটাৰ ওচৰত ধৰুৱা।

## আঠ

১৯০৪ খৃষ্টাব্দৰ ১৯ মে তাৰিখে জাৰ্মানীৰ নাচিম নগৰত টাটাই পয়ষষ্ঠি বছৰ বয়সত ইহলীলা সামৰে। মৃত্যুৰ কেইমাহমান আগৰপৰা তেওঁৰ শৰীৰ পৰি আছে। নিজ দেশত চিকিৎসাৰ কোনো ভাল ফল নোপোৱাত চিকিৎসকসকলৰ পৰামৰ্শ মতে তেওঁ উন্নত ধৰণৰ চিকিৎসা আৰু বায়ু পৰিবৰ্তনৰ বাবে জানুৱাৰী মাহত বোম্বেৰপৰা ইউৰোপলৈ যাত্ৰা কৰে। সেই

বছৰতে মাৰ্চ মাহত তেওঁৰ গুণৱতী সহধৰ্মিণী স্বৰ্গগামী হয়। বুঢ়া বয়সত স্ত্ৰীবিয়োগ হোৱাত শোক আৰু বেদনাত তেওঁৰ স্বাস্থ্য দিনক দিনে পৰি আহিবলৈ ধৰে।

পত্নীৰ বিয়োগৰ মাত্ৰ দুমাহৰ পাচতেই তেওঁ পত্নীৰ পথকে অনুসৰণ কৰিলে। মৃত্যুৰ কালত তেওঁৰ পুতেক "চাৰ দোৰাব টাটা" আৰু সম্বন্ধীয় ভায়েক "ৰতন টাটা" তেওঁৰ মৰণ শয্যাৰ কাষতে আছিল। তেওঁৰ মৃত্যুৰ সংবাদ পাই গোটেই ভাৰত শোকত আকুল হৈ পৰে।

টাটাই ভাৰতৰ যি শ্ৰমশিল্পৰ প্ৰতিষ্ঠা কৰি গ'ল তাৰ গুণতে ভাৰতৰ মুখ আজিও উজ্জ্বল হৈ আছে।

অন্ত